
# প্ৰগতি

মায়ং আঞ্চলিক মহাবিদ্যালয় আলোচনী

MAYANG ANCHALIK COLLEGE MAGAZINE



ষষ্ঠ সংস্কৰণ

(২০১৮-১৯বৰ্ষ)

তত্বাৱধায়ক
ড° মীনাক্ষী তামুলী

সম্পাদক
ৰিমঝিম ৰাজকুমাৰী

# সম্পাদনা সমিতি



অধ্যক্ষ
মায়ং আঞ্চলিক মহাবিদ্যালয়



ড° মীনাক্ষী তামুলী
তত্বাৱধায়ক



অতুল চন্দ্ৰ নাথ
সদস্য



কবিতা মেধি
সদস্য



ড° উৎপল নাথ
সদস্য



সমীৰ কুমাৰ নাথ
সদস্য



চন্দ্ৰ কান্ত বৰা
সদস্য



ৰিমঝিম ৰাজকুমাৰী
আলোচনী সম্পাদিকা

ৰূপা দেৱী
ছাত্ৰ সদস্য

যুগল ডেকা
ছাত্ৰ সদস্য

## মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকা সকল



প্ৰথম শাৰী (বাওঁফালৰ পৰা) ঃ কবিতা মেধি, লীনা কুমাৰী বৰা, চাৰু প্ৰভা চলিহা, ড° গুনেশ্বৰ ডেকা, ড° মহানন্দ বড়া (অধ্যক্ষ), সমীৰ কুমাৰ নাথ, বিজয় মেধি, ড° মীনাক্ষী তামুলী,
দ্বিতীয় শাৰী (বাওঁফালৰ পৰা) ঃ অভিৰাম চাৰকাৰ, উৎপল শইকীয়া, ৰফিকুল ইছলাম, তিলক নাথ, ড° উৎপল নাথ, ৰেজা ছাদুল্লাহ আহমেদ, চন্দ্ৰ কান্ত বড়া

## মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অনাশিক্ষক কৰ্মচাৰী গোট



প্ৰথম শাৰী (বাওঁফালৰ পৰা) ঃ কন্দৰ্প শইকীয়া, চিত্তৰঞ্জন নাথ, ড° মহানন্দ বড়া (অধ্যক্ষ), দিলীপ শইকীয়া, ছামচুন নেছাৰ বেগম
দ্বিতীয় শাৰী (বাওঁফালৰ পৰা) ঃ মনোজ ডেকা, খগেশ্বৰ বৰা, বীৰেন নাথ, ভুপেন চন্দ্ৰ নাথ, ৰজনী কান্ত নাথ, উৎপল নাথ,

# ছাত্র একতা সভা-২০১৮-১৯ বৰ্ষ



প্ৰথম শাৰী (বাওঁফালৰ পৰা) ঃ উৎপল নাথ, ইমদাদুল হক, নাৰায়ন মণ্ডল, ড° [illegible] বড়া( অধ্যক্ষ),
ঝিমঝিম ৰাজকুমাৰী, মনিকা ডেকা, পাৰুল দেৱী, ডেইজী দেৱী
দ্বিতীয় শাৰী (বাওঁফালৰ পৰা) ঃ গোবিন্দ নাথ, প্ৰাঞ্জল ৰংপি

## পাৰদৰ্শিতাৰে প্ৰতিভাত মায়ং আঞ্চলিক মহাবিদ্যালয়



**লক্ষ্মণ দাস**
১ম



**মনি বিশ্বাস**
২য়



**ছাদ্দিকুল ইছমাল**
৩য়

# মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ একাংশ



[illegible] দিৱস উদযাপন



বঁটা বিতৰণী সভা



সাংস্কৃতিক শোভাযাত্ৰা



বিশ্ব পৰিৱেশ দিৱস উদযাপন



প্ৰাচীৰ পত্ৰিকা উন্মোচন




শিক্ষামূলক ভ্ৰমণ

# মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ একাংশ



আন্তৰ্জাতিক যোগ দিৱস উদযাপন



আন্তৰ্জাতিক যোগ দিৱস উদযাপন



বিনামূলীয়া স্বাস্থ্য শিবিৰ



পিযুষ হাজৰীকাৰ দ্বাৰা ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপন




বাটৰ নাট




১০০ ঘণ্টীয়া গ্ৰীষ্মকালীন স্বচ্ছ ভাৰত অভিযান



আন্তঃ মহাবিদ্যালয় কাবাডী প্ৰতিযোগিতাত অংশগ্ৰহণ



আন্তঃ মহাবিদ্যালয় কাবাডী প্ৰতিযোগিতাত অংশগ্ৰহণ

# প্ৰগতি

ষষ্ঠ সংখ্যা

## মায়ং আঞ্চলিক মহাবিদ্যালয় আলোচনী

২০১৮-১৯ বৰ্ষ

# PRAGATI

## MAYANG ANCHALIK COLLEGE MAGAZINE

Volume : VI

Session : 2018-19

মায়ং আঞ্চলিক মহাবিদ্যালয়

ৰজামায়ং, মৰিগাঁও, অসম

পিন ঃ ৭৮২৪১১

তত্বাবধায়ক

ড° মীনাক্ষী তামুলী

সম্পাদক

ৰিমঝিম ৰাজকুমাৰী

# PRAGATI

An Magazine of **Mayang Anchalik College**, Volume- VI, Session: 2018-19
Edited by Dr. Minakshi Tamuli ( Magazine In-Charge) and Rimjhim Rajkumari (Magazine Secretary)
Published by Editorial Board, **Mayang Anchalik College**, Rajamayang, Morigaon (Assam)


# প্ৰগতি

## মায়ং আঞ্চলিক মহাবিদ্যালয় আলোচনী,২০১৮-১৯ বৰ্ষ


## সম্পাদনা সমিতি

*-ঃ সভাপতি ঃ-*
ড° মহানন্দ বড়া

*-ঃ তত্বাৱধায়ক ঃ-*
ড° মীনাক্ষী তামুলী

*-ঃ শিক্ষক সদস্য ঃ-*
অতুল চন্দ্ৰ নাথ
কবিতা মেধি
ড° উৎপল নাথ
সমীৰ কুমাৰ নাথ
চন্দ্ৰ কান্ত বৰা

*-ঃ আলোচনী সম্পাদক ঃ-*
ৰিমঝিম ৰাজকুমাৰী

*-ঃ আলোকচিত্ৰ ঃ-*
উৎপল নাথ

*-ঃ বেটুপাত পৰিকল্পনা আৰু অংকন ঃ-*
সমীৰ কুমাৰ নাথ

*-ঃ অক্ষৰ বিন্যাস ঃ-*
মনজিৎ ডেকা



ঃ মুদ্ৰণ ঃ
মায়া অফচেট প্ৰেছ
পল্টন বজাৰ, গুৱাহাটী, অসম

# উৎসৰ্গ



যিসকল সদাশয় ব্যক্তিৰ অসীম ত্যাগে
আৰু আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত
এই মহান বিদ্যায়তনিক
অনুষ্ঠানটিয়ে প্ৰাণ পালে, যিসকল শিক্ষক শিক্ষয়িত্ৰী
আৰু ছাত্ৰ-ছাত্ৰীয়ে এই অনুষ্ঠানটি স্বগৌৰৱেৰে
মহিমাণ্ডিত হোৱাত
অবিহণা যোগালে সেইসকল জ্ঞান অন্বেষণকাৰী,
আলোকসন্ধানী, প্ৰজ্ঞাৰ সাধকৰ কৰকমলত
ভক্তিভৰা প্ৰণিপাত জনাই 'প্ৰগতি'ৰ
চতুৰ্থ সংখ্যাটি অৰ্পন কৰিলোঁ।

—সম্পাদনা সমিতি

পীযুষ হাজৰীকা
মন্ত্ৰী, অসম চৰকাৰ

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ(ৰাজ্যিক),
নগৰ উন্নয়ন মন্ত্ৰী, অসম চৰকাৰ



# শুভেচ্ছাবাণী

সঁচা জীৱনৰ প্ৰতিখোজক সৰলী কৰিব পৰা, কোনো বিনিময়তে ক্ৰয় কৰিব নোৱাৰা সম্পদেই হ'ল শিক্ষা, যাৰ উজ্জীৱিত আভাই নিজৰ লগতে সমাজখনকো ধন্য কৰি তোলে। সেয়ে শিক্ষানুষ্ঠান সমূহ হ'ল ভৱিষ্যত সু-নাগৰিক গঢ়াৰ একমাত্ৰ কমাৰশাল, য'ত শিক্ষাগুৰু সকলে নতুন প্ৰজন্মক পুঁথিগত জ্ঞানৰ লগতে সামাজিক দায়বদ্ধতা আৰু মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা দিয়ে।

উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় শিক্ষানুৰাগী ৰাইজৰ কষ্ট আৰু ত্যাগৰ বিনিময়ত স্থাপন হোৱা মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ বাৰ্ষিক আলোচনী "প্ৰগতি" ছপা হ'ব বুলি জানিবলৈ পাই অত্যন্ত সুখী হৈছোঁ আৰু উদ্যোক্তা তথা লেখক-লেখিকা সকলৰ শলাগ লৈছোঁ। আলোচনীখন সৰ্বদিশতে সবাংগ-সুন্দৰ হোৱাৰ কামনা কৰিলোঁ।

সেৱাৰে—

পীযুষ হাজৰীকা

(পীযুষ হাজৰীকা)

ই-ব্লক, অসম সচিবালয়, দিছপুৰ, গুৱাহাটী- ৭৮১০০৬, অসম
দূৰভাষ নং ঃ ৯৭০৬০ ৩৩৩৩৩, ই-মেইল ঃ pijushapyc@gmail.com

**শ্ৰীযুত গোপাল চন্দ্ৰ নাথ**
সভাপতি
মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতি

ৰজামায়ং
মৰিগাঁও, অসম- ৭৮২৪১১

# শুভেচ্ছা বাণী




২০১৮-১৯ বৰ্ষৰ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত মহাবিদ্যালয়- আলোচনীখন অতিশীঘ্ৰে ছপা হৈ ওলাব বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছোঁ। একোটা বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল কৰ্মৰাজিৰ স্বাক্ষৰ বহন কৰে মহাবিদ্যালয়ৰ আলোচনীখনে। সেই হিচাপে এখন মহাবিদ্যালয়ৰ একো একোটা বৰ্ষৰ ল'ৰা-ছোৱালীৰ চিন্তা-চৰ্চা, আবেগ-অনুভূতি যিদৰে ইয়াত প্ৰতিফলন ঘটে, সেইদৰে তেওঁলোকৰ কৃচ্ছ- সাধনা প্ৰামাণ্য দলিল ৰূপেও স্বীকৃত হয় মহাবিদ্যালয় আলোচনী খন।সেই কাৰণে মহাবিদ্যালয় আলোচনীখনৰ গুৰুত্ব সৰ্বাধিক।

আশা কৰোঁ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ আলোচনীখনৰ এই সংখ্যাটোৱে এক সৰ্বাঙ্গি সুন্দৰ ৰূপ পৰিগ্ৰহণ কৰি প্ৰকাশিত হ'ব আৰু ছাত্ৰ সমাজৰ সমাজত সৰ্ব সমাদৃত হ'ব।

(গোপাল চন্দ্ৰ নাথ)
সভাপতি
মায়ংআঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতি

# অধ্যক্ষৰ একাষাৰ





অসমৰ মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ং আঞ্চলিক মহাবিদ্যালয় হ'ল এই অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। ১৯৯২ চনত এই মহাবিদ্যালয় খনৰ জন্ম হয় আৰু তেতিয়াৰ পৰাই এই অনুষ্ঠানখনে মায়ং অঞ্চলৰ সামগ্ৰীক উন্নয়ন আৰু উচ্চশিক্ষাৰ প্ৰসাৰৰ বাবে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। যিসকল শিক্ষানুৰাগী নমস্য ব্যক্তিৰ চেষ্টা আৰু শ্ৰমৰ ফলত এই অনুষ্ঠানখনৰ জন্ম হ'ল আৰু যিসকল ব্যক্তিয়ে এই অনুষ্ঠান খনৰ শ্ৰীবৃদ্ধি কৰাত অৰিহণা যোগাই আহিছে সেই ব্যক্তিসকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

১৯৯২ চনত মায়ং আঞ্চলিক মহাবিদ্যালয় এখন স্নাতক কলা শাখাৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হৈছিল আৰু তেতিয়াৰ পৰাই এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কলা শাখাৰ প্ৰধান বিষয়সমূহ যেনে- ইংৰাজী, অসমীয়া, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, বুৰঞ্জী আৰু শিক্ষা বিষয়ত গুৰু আৰু সাধাৰণ পাঠ্যক্ৰমৰ অধ্যয়নৰ সুযোগ প্ৰদান কৰি আহিছে। ২০১৩ চনতহে এই মহাবিদ্যালয়খন প্ৰাদেশীকৰণ হয়। তাৰ আগলৈকে এই অঞ্চলৰ ৰাইজ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দায়িত্ব, ধৈৰ্য্য, যত্ন আৰু পৰিশ্ৰমৰ বাবেহে এই মহাবিদ্যালয় খন চলি আহিছিল। আমাৰ মহাবিদ্যালয়খনক বৰ্তমান অৱস্থালৈ উন্নীত কৰাত তেখেতসকলৰ বৰঙনি চিৰস্মৰণীয় হৈ ৰ'ব।

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই এই 'প্ৰগতি' আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা কাৰ্যত মই পৰম আনন্দিত হৈছোঁ। আশা কৰিছোঁ এই আলোচনীখনে আমাৰ

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য চৰ্চাত অনুপ্ৰাণিত কৰাৰ লগতে সাহিত্য সংস্কৃতিৰ জগতখনকো সমৃদ্ধিশালী কৰিব।

যিসকল লেখক লেখিকাই তেওঁলোকৰ লিখনীৰে আলোচনীখনৰ সৌন্দৰ্যবৰ্ধন কৰিলে তেওঁলোকলৈ মই মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ বাবে দায়িত্বত থকা সম্পাদনা সমিতিৰ তত্বাবধায়ক ড° মীনাক্ষী তামুলী, সদস্য অধ্যাপক/অধ্যাপিকা অতুল চন্দ্ৰ নাথ, কবিতা মেধি, ড° উৎপল নাথ, সমীৰ কুমাৰ নাথ, চন্দ্ৰ কান্ত বৰা, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নাৰায়ন মণ্ডল, আলোচনী সম্পাদিকা ৰিমঝিম ৰাজকুমাৰীৰ লগতে ছাত্ৰ একতা সভাৰ অন্য সদস্য- সদস্যা সকলক মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই চেগতে মায়া অফচেট প্ৰিণ্টাৰ্চৰ সমূহ কৰ্মীবৃন্দ আৰু আমাৰ মহাবিদ্যালয়ৰ কম্পিউটাৰ অপাৰেটৰ মনজিৎ ডেকা আৰু উৎপল নাথক মই ধন্যবাদ জনালোঁ। সৰ্বশেষত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালত জড়িত প্ৰয়াত সকললৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰিলো, লগতে আনসকললৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° মহানন্দ বড়া
অধ্যক্ষ
মায়ং আঞ্চলিক মহাবিদ্যালয়
ৰজামায়ং, মৰিগাঁও, অসম- ৭৮২৪১১

# তত্বাৱধায়কৰ একলম



১৯৯২ চনৰ ১৩ আগষ্ট দিনটো বৃহত্তৰ মায়ং অঞ্চলৰ বাবে এটি সোণালী সুদিন। এই দিনটোতে অসমৰ মাটিত ৰোপণ কৰা হৈছিল মায়ং আঞ্চলিক মহাবিদ্যালয় নামৰ বটবৃক্ষৰ পুলিটো। তেতিয়াৰে পৰা সঞ্জীৱনী সুধা লৈ দিন-বৰ্ষ গৰকি ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। অৰ্থনৈতিকভাৱে অনগ্ৰসৰ সেই পৰিবেশতে মন্ত্ৰ প্ৰসিদ্ধ মায়ং অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠানটো গঢ় লৈ আজিৰ পৰ্যায়ত উপনীত হৈছে। এখন উচ্চ শিক্ষানুষ্ঠান পাতিবলৈ আগবাঢ়ি অহা ব্যক্তিসকলৰ সপোন আৰু আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিতে আজি মায়ং আঞ্চলিক মহাবিদ্যালয়ত অধ্যয়নৰত বা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক, আধ্যাত্মিক চিন্তা-চৰ্চা আৰু মৌলিক সৃষ্টিশীলতাৰ স্বকীয় ৰূপ প্ৰতিফলিত হয় আলোচনীৰ জৰিয়তে। ২০১৮-১৯ বৰ্ষৰ 'প্ৰগতি' প্ৰকাশৰ দায়িত্ব লৈ মহাবিদ্যালয়ৰ আলোচনীখন আগবঢ়াই নিয়াৰ সুযোগ দিয়াৰ বাবে অধ্যক্ষ ড° মহানন্দ বড়া দেৱলৈ কৃতজ্ঞতা জনালোঁ। তাৰোপৰি সকলো অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী লগতে সম্পাদনা সমিতিৰ সদস্য-সদস্যা সমূহৰ সহায় সহযোগিতাৰ শলাগ লৈছোঁ। অতি কম দিনৰ ভিতৰতে প্ৰকাশ কৰিবলগীয়া হোৱা বাবে অজানিতভাৱে হোৱা দোষ-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি 'প্ৰগতি' খন সুধী সমাজৰ হাতত তুলি দিলোঁ।

ড° মীনাক্ষী তামুলী
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
মায়ং আঞ্চলিক মহাবিদ্যালয়

# সম্পাদিকাৰ একলম



সাহিত্য হ'ল এটা জাতিৰ দাপোণ স্বৰূপ। এটা জাতিৰ ভাষা, সংস্কৃতিৰ স্বকীয়তাৰ মানদণ্ড সাহিত্যৰ যোগেদি প্ৰতিফলিত হয়। এক কথাত এটা জাতিৰ সভ্যতাৰ যোগেদি প্ৰতিফলিত হয় আৰু অন্যহাতে এটা জাতিৰ ভৱিষ্যতৰ বাহক হ'ল ছাত্ৰ সমাজ, ছাত্ৰ-ছাত্ৰী হ'ল জাতি এটাৰ ভৱিষ্যতৰ কাণ্ডাৰী। গতিকে এটা জাতিৰ সামগ্ৰিক উন্নয়নৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু সাহিত্যৰ মাজৰ সম্পৰ্ক আদি নিবিড় হোৱাটো প্ৰয়োজন।

যিদৰে সাহিত্য এটা জাতিৰ দাপোণ ঠিক সেই দৰে আলোচনী একোখনো বিদ্যালয়/মহাবিদ্যালয়ৰ দাপোণ , এই জ্ঞানৰ দাপোণ খনতে প্ৰতিফলিত হয় সাহিত্য পথাৰক সোণালী কৰিব খোজা এচাম নতুন সাহিত্যিকৰ সেউজীয়া সপোন। যি সপোন ভৱিষ্যতৰ সমাজক সুপথৰ সন্ধান দিয়ে।

ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা এই বিশাল দেওলগা মায়ং অঞ্চলৰ জ্ঞানৰ বন্তি গছি হ'ল মায়ং আঞ্চলিক মহাবিদ্যালয় আৰু এই মহাবিদ্যালয় আলোচনী 'প্ৰগতি' যোৱা চাৰিটা সংখ্যা সফলতাৰ পাছত ষষ্ঠ সংখ্যাটি প্ৰকাশৰ যো-যা চলাইছিল। মই এগৰাকী সাহিত্য সম্পাদিকা হিচাপে এনে গধুৰ দায়িত্ব পালন কৰা ক্ষমতা যদিও নাছিল তথাপিও মোক এই দায়িত্ব অৰ্পন কৰা লগতে বিভিন্ন কাম কাজত মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু প্ৰিয় বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লৈ ধন্যবাদ সহকাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত আলোচনী খন সম্পাদনাৰ ক্ষেত্ৰত হোৱা ভূল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছো আৰু প্ৰগতিৰ বাবে নিৰৱচ্ছিন্ন গতি অটুত থাকক, তাৰে কামনাৰে।

ৰিমঝিম ৰাজকুমাৰী
আলোচনী সম্পাদিকা
ছাত্ৰ একতা সভা
মায়ং আঞ্চলিক মহাবিদ্যালয়

# সূচীপত্ৰ

প্ৰবন্ধৰ বাকৰিত


| | | |
|---|---|---|
| ◆ ঐতিহাসিক পটভূমিত কাজলি চকী | - লোকেন্দ্ৰ হাজৰিকা, | ১-৯ |
| ◆ প্ৰতিযোগিতা | - ড০ মিনাক্ষী তামুলী, | ১০-১২ |
| ◆ যাদুৰ দেশ মায়ং আৰু পবিতৰা অভয়াৰণ্য | - ড০ উৎপল নাথ, | ১৩-১৭ |
| ◆ পাচলিৰ বাগিচাখন | - কবিতা মেধি, | ১৮-১৯ |
| ◆ আনন্দৰ মহানুভৱ | - দিলীপ শইকীয়া, | ২০-২৫ |
| ◆ মায়ং ঃ বুৰঞ্জীৰ এখিলা জীয়াপাত | - জিণ্টুমনি মেধি, | ২৬-২৯ |
| ◆ ছাত্ৰ জীৱনৰ শৃংখলাবোধ | - হিৰণজ্যোতি ডেকা, | ৩০-৩১ |


কবিতাৰ কুঁকি


| | | |
|---|---|---|
| ◆ তনবীৰৰ স্মৃতি | - যুগল ডেকা, | ৩৩ |
| ◆ বহুৰূপী নাৰী | - নাৰায়ন মণ্ডল, | ৩৩ |
| ◆ এন্ধাৰ জীৱন | - গোপাল মণ্ডল, | ৩৪ |
| ◆ পৰীক্ষা | - ৰাকেশ মণ্ডল, | ৩৪ |
| ◆ মা | - প্ৰিয়ঙ্কা কলিতা, | ৩৫ |
| ◆ মোৰ কবিত 1 | - পাৰুল দেৱী, | ৩৫ |
| ◆ তুমি আহিবানে | - ৰূপামনি দেৱী, | ৩৬ |
| ◆ হৃদয়ৰ কথা | - ইমদাদুল হক, | ৩৬ |
| ◆ বেদনা | - ডেইজী দেৱী, | ৩৭ |
| ◆ আজিৰ সমাজ | - গোবিন নাথ, | ৩৭ |
| ◆ অভিযান | - ললিত টিমুং, | ৩৮ |
| ◆ সন্ত্ৰাস | - ডেইজী সন্ন্যাল, | ৩৮ |
| ◆ মোৰ প্ৰেম পোহৰ হৈ জিলিকে | - লিপিকা দেৱী, | ৩৯ |
| ◆ সময়ৰ সোঁত | - ৰাজশ্ৰী দেৱী, | ৩৯ |
| ◆ ইনবক্সত তোমাক বিচাৰি | - প্ৰাঞ্জল ৰংপি, | ৪০ |
| ◆ সংগোপনে | - প্ৰাঞ্জল ৰংপি, | ৪০ |
| ◆ তুমি মোৰ জীৱনৰ শলিতা | - শিৱাজিৎ বিশ্বাস , | ৪১ |
| ◆ যৌৱনৰ ন পানী | - মানিক নাথ, | ৪১ |
| ◆ মায়ং আঞ্চলিক কলেজৰ ধুনীয়া ছোৱালীজনী | - জিণ্টুমনি মেধি, | ৪২ |
| ◆ মা | - চম্পক কুমাৰ নাথ, | ৪৩ |

| | | |
|---|---|---|
| ◆ জীৱনৰ লক্ষ্য | - পূজা শইকীয়া, | ৪৩ |
| ◆ মায়ং আঞ্চলিক মহাবিদ্যালয় | - মনিকা ডেকা, | ৪৪ |
| ◆ মা | - মনিকা ডেকা, | ৪৪ |
| ◆ বিষাদৰ সপোন | - পূর্ণিমা মণ্ডল, | ৪৫ |
| ◆ শিক্ষক | - ধনশ্ৰী দেৱী, | ৪৫ |
| ◆ শেৱালী | - লিপিকা মণ্ডল, | ৪৬ |
| ◆ We Learn | - লিজা শইকীয়া, | ৪৬ |


ৰস ৰচনা


| | | |
|---|---|---|
| ◆ কবিতাৰ ৰং | - লীজা শইকীয়া, | ৪৮-৪৯ |


গল্পৰ বাকৰিত


| | | |
|---|---|---|
| ◆ এক মিনিটৰ গল্প | - সূৰ্য্য বিশ্বাস, | ৫১ |
| ◆ মা তোমাক ভাল পাঁও | - সূৰ্য্য বিশ্বাস, | ৫২ |


অন্যান্য


| | | |
|---|---|---|
| ◆ বায়ু প্ৰদূষণ | - অভিষেক বিষয়া, | ৫৪-৫৫ |
| ◆ কাক কি বুলি জানো | - হিৰণজ্যোতি ডেকা, | ৫৬ |


**English Section**


| | | |
|---|---|---|
| ◆ Islamic Women right to Equality and problem today | - Reza Shadullah Ahmed, | ৫৮-৬১ |
| ◆ A Reflection on the influence of the western playwrights, especially of Henric Ibsen on the Assamese plays | - Samir Kumar Nath, | ৬২-৬৭ |
| ◆ Majuli Satras | - Chandra Kanta Borah, | ৬৮-৮৬ |
| ◆ সম্পাদকীয় | - | ৮৮- ৯৩ |